


*এতিয়াৰ কোচবিহাৰ জিলা*

# কোচবিহাৰ ৰাজ্যৰ বংগভুক্তিৰ ৰাজনীতি

অৰূপজ্যোতি দাস

উত্তৰ বংগৰ ছয়খন জিলা আৰু নামনি অসমৰ জিলাসমূহক সামৰি কামতাপুৰ নামে এখন ৰাজ্যৰ গঠনৰ দাবীত যি আন্দোলন কোচ ৰাজবংশীসকলে কৰি আহিছে, এই আন্দোলনৰ মূল প্ৰেৰণা ঐতিহাসিক কামতাপুৰ ৰাজ্য যাৰ আধুনিক আৰু সংকুচিত ৰূপ আজিৰ পশ্চিমবংগৰ কোচবিহাৰ জিলাখন। কামতাপুৰৰ দাবীদাৰ প্ৰায়বোৰ সংগঠনেই দেশীয় ৰাজ্য (দেশীয় ৰাজ্যবোৰ princely State বুলিও জনাজাত) কোচবিহাৰৰ পশ্চিমবংগৰ সৈতে চামিলকৰণৰ কাৰ্যটোক কোচ ৰাজবংশী জাতিৰ একতা বিনষ্ট কৰাৰ ষড়যন্ত্ৰ বুলি ক'ব খোজে তথা সুকীয়া কামতাপুৰ ৰাজ্য গঠনৰ অন্যতম যুক্তিৰূপে আগবঢ়াবলৈ বিচাৰে। 'কামতাপুৰ পিপলছ পাৰ্টি', 'গ্ৰেটাৰ কোচবিহাৰ পিপলছ এছোচিয়েশ্বন', 'সদৌ কোচ ৰাজবংশী ছাত্ৰ সংস্থা', 'নিখিল কামতাপুৰ ছাত্ৰ সংগঠন' আদি কৰি প্ৰায়বোৰ কোচ ৰাজবংশী সংগঠনৰ মতে কোচবিহাৰক বংগত চামিল কৰাটো সম্পূৰ্ণ বেআইনী আৰু একপক্ষীয় আছিল আৰু সেয়ে সেয়া গ্ৰহণযোগ্য নহয়। স্বাধীনোত্তৰ ভাৰতৰ কেইবাটিও ৰাজনৈতিক সংঘাত দেশীয় ৰাজ্যসমূহক ভাৰতৰ সৈতে সংযুক্ত কৰাৰ সময়তে আৰম্ভ হোৱা। বিশেষকৈ জন্মু-কাশ্মীৰ, মণিপুৰ আৰু কামতাপুৰৰ। দেশীয় ৰাজ্যসমূহক ভাৰতৰ সৈতে যুক্ত কৰাৰ সময়ত প্ৰয়োজনীয় আলোচনা নকৰি, স্থানীয় সংস্কৃতি, ৰাইজৰ মত আদিক আওকাণ কৰি দৌৰা-দৌৰিকৈ, অনকি জোৰ-জুলুমকৈ ভাৰত ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত কৰা বাবে, সেইবোৰে আজিও ভাৰতবৰ্ষৰ তথাকথিত অখণ্ডতাৰ প্ৰতি ভাবুকি আনিবলৈ সক্ষম হৈছে। আজিৰ কামতাপুৰ আন্দোলনৰ ৰাজনৈতিক সমাধানৰ বাবে দমন নীতিৰ আশ্ৰয় লোৱাৰ আগতে কামতাপুৰ ওৰফে কোচবিহাৰ ৰাজ্যক

OKDISCD

কি পৰিস্থিতিত সুকীয়া ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰিবলৈ গৈয়ো ইয়াৰ হাজাৰ বছৰীয়া পৰম্পৰা-পৰিচয় বিনষ্ট কৰি এখন জিলাৰূপে পশ্চিমবংগৰ সৈতে চামিল কৰা হ'ল সেই কথা ভালদৰে বুজা উচিত হ'ব। আৰু এয়া বুজিবলৈ হ'লে সেই সময়ৰ ৰাজনৈতিক প্ৰেক্ষাপটত ভুমুকি মাৰিব লাগিব।


ভাৰতৰ স্বাধীনতাৰ সময়ত উপ মহাদেশখনত কোচবিহাৰকে ধৰি মুঠ ৫৬৫ খন দেশীয় ৰাজ্য আছিল যিবোৰক বৃটিছ চৰকাৰে পৰোক্ষভাৱে শাসন কৰিছিল। যেতিয়া দেশ বিভাজিত হৈ স্বাধীন হ'ল তেতিয়া এই ৰাজ্যবোৰক প্ৰত্যক্ষভাৱে শাসিত বৃটিছ প্ৰদেশসমূহৰ দৰে ভাৰত বা পাকিস্তানৰ মাজত বিভাজিত নকৰি তাৰে শাসনকৰ্তাবোৰক নিজৰ ইচ্ছা অনুযায়ী ভাৰত বা পাকিস্তানত যোগদান কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল। এই অধিকাৰক বহুতেই স্বাধীনতাৰ অধিকাৰ বুলি ভাবিছিল যদিও প্ৰকৃতাৰ্থত এয়া স্বাধীনতা নাছিল। দেশীয় ৰাজ্যসমূহে হয় ভাৰতত যোগদান কৰিব লাগিব নহয় পাকিস্তানত, কিন্তু সাৰ্বভৌম হিচাপে থাকিব নোৱাৰিব। এই কথাটোক ভালদৰে নুবুজি হায়দৰাবাদৰ শাসকে স্বাধীনতা ঘোষণা কৰা কথাটো বহুতেই নিশ্চয় জানে। কোচ বিহাৰৰ ভৌগোলিক অৱস্থানৰ বাবে তথা ঐতিহাসিক-সাংস্কৃতিক পটভূমিৰ বাবে কোচবিহাৰে ভাৰতত নে পাকিস্তানত যোগদান কৰিব তাত এক জটিলতা আহি পৰিছিল। যদিও প্ৰায়বোৰ দেশীয় ৰাজ্যই ভাৰতত বা পাকিস্তানত যোগদান কৰাৰ আনুষ্ঠানিকতা ১৯৪৭ চনৰ ১৫ আগষ্টৰ আগতেই সম্পন্ন কৰিছিল, কোচবিহাৰে বহু পলমকৈ, ১৯৪৯ চনৰ ১২ ছেপ্তেম্বৰত ভাৰত ৰাষ্ট্ৰত এখন 'গ' শ্ৰেণীৰ ৰাজ্যৰূপে যোগদান কৰে।

কোচবিহাৰৰ ভাৰতভুক্তিৰ লগে লগে কলকতীয়া বাঙালী লবী এটিয়ে কোচবিহাৰক পশ্চিমবংগৰ সৈতে চামিল কৰাৰ বাবে উঠি-পৰি লাগিল। আনহাতে অসমৰ সৈতে ঐতিহাসিক আৰু সাংস্কৃতিকৰ সম্পৰ্কৰ বাবে অসমৰ এটা মহলে কোচবিহাৰক অসমৰ সৈতে থকাটো বিচাৰিলে। ইফালে কোচবিহাৰৰ ৰাইজক প্ৰতিনিধিত্ব কৰা আন এটি মহলে কোচবিহাৰে সুকীয়া মৰ্যাদাৰে দিল্লীৰ অধীনত কেন্দ্ৰীয় শাসিত অঞ্চল হিচাপে থকাটো বিচাৰিলে। অতি সোনকালেই কোচবিহাৰৰ চামিলকৰণৰ বিষয়টোৱে পশ্চিমবংগৰ তদানীন্তন মুখ্যমন্ত্ৰী বিধান চন্দ্ৰ ৰয়ৰ কুটিল ৰাজনীতিৰ ফলত জটিল ৰূপ ল'লে। কোচবিহাৰৰ ৰজা-প্ৰজা কোনেও যদিও বংগৰ সৈতে চামিল হ'ব বিচৰা নাছিল, সকলো জানিও বিধান চন্দ্ৰ ৰয়ে কোচবিহাৰক ছল-চাতুৰীৰে হ'লেও পশ্চিমবংগৰ সৈতে চামিল কৰিবলৈ উঠি-পৰি লাগিল। ৰয় ডাঙৰীয়াই বল্লভ ভাই পেটেলক ভুল তথ্য সম্বলিত চিঠি-পত্ৰৰ জৰিয়তে বিপথে পৰিচালিত কৰিবলৈ বিচাৰিছিল তথা সফলো হৈছিল। তেনে এখন চিঠি হ'ল--

কলিকতা, ১১ মে ১৯৪৯

প্ৰতি
সন্মানীয় চৰ্দাৰ বল্লভ ভাই পেটেল
যুটীয়া প্ৰধান মন্ত্ৰী, ভাৰত

শ্ৰদ্ধাৰ বল্লভ ভাই পেটেল,
আপোনাৰ বোধহয় মনত আছে যে কোচ বিহাৰক পশ্চিম বংগৰ সৈতে সংযুক্ত কৰাৰ বাবে মই আপোনাৰ সৈতে কেবাবাৰো কথা পাতিছো। মই একেবাৰেই নিশ্চিত যে আপুনিও কথাবোৰ সেই দিশতেই চিন্তা



*কোচবিহাৰৰ ৰাজবাৰী*

কৰিছে। চামিল কৰণৰ বিষটো চূড়ান্ত কৰাৰ প্ৰাথমিক কাম-কাজবোৰ সম্পন্ন কৰোঁতে অৱশ্যে কিছু সময় লাগিবও পাৰে। আপুনি নিশ্চয় জানে যে শ্ৰীমান শৰৎ চন্দ্ৰ বোসে দক্ষিণ কলিকতাৰ পৰা বিধান সভাৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। মনোনয়নৰ অন্তিম তাৰিখ ২৪ মে আৰু নিৰ্বাচন ১২ জুনত। মই নিশ্চিতভাৱে আপোনাৰ পৰা সহায় সহযোগ আৰু উপদেশ বিচাৰিম। এই ক্ষেত্ৰত মই বাৰু আপোনাক পৰামৰ্শ দিব পাৰো নেকি যে কোচ বিহাৰক পশ্চিম বংগৰ সৈতে চামিল কৰা হ'ব বুলি যদি কেন্দ্ৰৰ পৰা ঘোষণা কৰা হয়, তেনেহ'লে সেইটোৱে নিৰ্বাচনৰ প্ৰচাৰত আমাক বৰ সহায় কৰিব। চামিল কৰণৰ বিষয়ে যেতিয়া আপুনি চূড়ান্ত সিদ্ধান্ত ল'ব তেতিয়া আপুনি আমাক জনাব, যাতে আমি প্ৰচাৰ কৰিব পাৰো যে কোচ বিহাৰৰ বংগৰ সৈতে চামিল কৰণটো পশ্চিম বংগ চৰকাৰৰ কাৰণেহে হ'ব পাৰিলে, শৰৎ চন্দ্ৰ বোসৰ কাৰণে নহয়।...
আশাকৰো আপুনি কুশলে আছে। সোনকালে উত্তৰ পাম বুলি আশা ৰাখিলো।

আপোনাৰ বিশ্বাসী,
ড° বিধান চন্দ্ৰ ৰয়

বিধান চন্দ্ৰ ৰয়ে যে কোচবিহাৰৰ চামিলকৰণৰ বিষয়টো তেওঁৰ ৰাজনৈতিক লাভালাভৰ বাবে ব্যৱহাৰ কৰিছিল সেয়া উপৰিউ চিঠিখনে নিশ্চয় স্পষ্ট কৰি দাঙি ধৰিছে। ঠিক একেদৰে পেটেল ডাঙৰীয়াক ভুল পথে পৰিচালনা কৰাৰ বাবে তেওঁ আন এখন চিঠিত লিখিছিল—
প্ৰতি
সন্মানীয় চৰ্দাৰ বল্লভ ভাই পেটেল
যুটীয়া প্ৰধান মন্ত্ৰী, ভাৰত

শ্ৰদ্ধাৰ বল্লভ ভাই পেটেল,
মই ইতিমধ্যেই আপোনাক কোচ বিহাৰৰ বিষয়ে কৈছো আৰু সেই সংক্ৰান্তীয় কিছুমান কাগজ পাতি আপোনাক দেখুৱাইছো....

কিছুমান শেহতীয়া পৰিবৰ্তনৰ বাবে মই কোচ বিহাৰৰ বিষয়টো লৈ যথেষ্ট উদ্বিগ্ন হৈ পৰিছো কিয়নো এইবোৰে অকল পশ্চিম বংগৰে নহয়, ভাৰতৰো নিৰাপত্তাত প্ৰভাৱ পেলাব। এই মুহূৰ্তত ইয়াতকৈ অধিক মই একো ক'ব নোৱাৰিম, কিন্তু আপোনাক যেতিয়া লগ পাম তেতিয়া ভালদৰে কম।

আপোনাৰ বিশ্বাসী,
ড° বিধান চন্দ্ৰ ৰয়

এনেবোৰ কাৰ্যৰ উপৰি সেই সময়ত কংগ্ৰেছ দলে কোচবিহাৰত জনসমৰ্থন আদায়ৰ বাবে ঠায়ে ঠায়ে সভা-সমিতি আদি পাতিছিল যদিও এইবোৰে থলুৱা কোচবিহাৰীক আকৰ্ষণ কৰিব পৰা নাছিল। তেনে এখন সভাত অংশগ্ৰহণ কৰা উত্তৰ বংগৰ বিশিষ্ট বুদ্ধিজীৱী ধৰ্মনাৰায়ণ বৰ্মাই তেওঁৰ 'ৰাজ্য কুচ বিহাৰঃ জেলা কুচ বিহাৰ' নামৰ প্ৰবন্ধটোত উল্লেখ কৰিছে যে কোচবিহাৰ কংগ্ৰেছে তুফানগঞ্জত আয়োজন কৰা তেনেকুৱা এখন সভাত মাথোঁ বিশ-পচিছজন লোকহে উপস্থিত আছিল। ইতিমধ্যেই কোচবিহাৰত থলুৱা ৰাইজৰ

OKDISCD

ৰাজনৈতিক ইচ্ছা প্ৰতিফলন কৰাৰ বাবে 'হিতসাধিনী সভা' নামৰ অনুষ্ঠান এটিৰ জন্ম হৈছিল। সৰ্বসাধাৰণৰ সদিচ্ছা হিতসাধিনী সভাৰ সৈতে থকাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে তাতেই যোগদান কৰিছিল। 'হিতসাধিনী সভা'ৰ সভাপতি আমানতুল্লা আহমেদে ৰাজ্য মন্ত্ৰণালয়লৈ লিখা এখন চিঠিত মত প্ৰকাশ কৰিছিল যে, 'কোচবিহাৰৰ সমগ্ৰ জনগণে (একেবাৰে ক্ষুদ্ৰ বাঙালী উপাদানখিনি বাদ দি) কোচবিহাৰৰ পশ্চিমবংগৰ সৈতে চামিলকৰণৰ বিৰোধী। কোচবিহাৰী (হিন্দু -মুছলমান উভয়ৰে) সকলৰ নিজা বিশেষ বৈশিষ্ট্য আছে, যিটোৰ বাঙালীৰ সৈতে মিল নাই। কোচবিহাৰীসকলে কোৱা ৰাজবংশী ভাষাৰ অসমীয়া ভাষাৰ সৈতে বহু মিল, .... কোচবিহাৰীসকলৰ মাজত স্বাভাৱিকভাৱেই এক বাঙালী বিদ্বেষ গঢ় লৈ উঠিছে।'



*কোচবিহাৰৰ কোচ ৰজা নৃপেন্দ্ৰ নাৰায়ণ দেৱ*

সেই সময়ৰ অসমৰ ৰাজ্যপাল এ. কে হায়দৰীয়ে সমগ্ৰ ঘটনা চালিজাৰি চাই পেটেল ডাঙৰীয়ালৈ লিখা চিঠিত কোচবিহাৰক অসমৰ সৈতে সংযুক্ত কৰাটোতে মত পোষণ কৰিছিল। ২৯-৬-১৯৪৮ত লিখা চিঠিখনত তেওঁ লিখিছিল, '... সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কোচবিহাৰক কেন্দ্ৰীয় কংগ্ৰেছৰ অধীনত অনাটো উচিত হ'ব। আৰু সেয়া যদি সম্ভৱ নহয়, তেনেহ'লে দ্বিতীয় শ্ৰেষ্ঠ উপায়টো হ'ব কোচবিহাৰক অসম প্ৰদেশ কংগ্ৰেছৰ সৈতে সংযুক্ত কৰাটো'।

এনে এক পৰিস্থিতিত সেই সময়ত কোচবিহাৰক অসমৰ সৈতে চামিল কৰা কথাটোৱেই যথেষ্ট গুৰুত্ব পাইছিল। যিহেতুকে ঐতিহাসিক আৰু ভৌগোলিকভাৱে কোচবিহাৰ অসমৰ অতি নিকট, স্বাভাৱিকতেই কোচবিহাৰ আৰু অসমৰ উভয়ৰে বহুতেই কোচবিহাৰক অসমৰ সৈতে সংযুক্ত হোৱাটো বিচাৰিছিল। অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে কোচবিহাৰ ভ্ৰমণ কৰি উঠি কোচবিহাৰক অসমৰ সৈতে যুক্ত কৰাৰ প্ৰচেষ্টা এটা কৰিছিল। যি কি নহওক, পৰিস্থিতিৰ গভীৰতা উপলব্ধি কৰি জৱাহৰলাল নেহৰুৱে কোচবিহাৰৰ ৰাইজৰ মত অনুযায়ীহে কোচবিহাৰৰ বিষয়ে সিদ্ধান্ত লোৱা হ'ব বুলি কলকাতাৰ এক জনসভাত ঘোষণা কৰে। পিছে ইতিমধ্যেই বাঙালী লবীটোৰ সৈতে পেটেল ডাঙৰীয়া এক হৈছিল। সেয়ে নেহৰুৰ সিদ্ধান্তক ভেঙুচালি কৰি তেখেতে নেহৰুলৈ লিখিলে,

নতুন দিল্লী, ২৮ ডিচেম্বৰ ১৯৪৯

শ্ৰদ্ধাৰ জৱহৰলাল....

কোচ বিহাৰ আৰু বিদৰ্ভ প্ৰদেশ সম্পৰ্কে লিখা আপোনাৰ ২৭ ডিচেম্বৰৰ চিঠিখন পালো। মই সমগ্ৰ পজিশ্বনটো কেবিনেটত খুটিনাটি মাৰি চাইছো আৰু সেয়ে ভাবোঁ যে এই বিষয়ে পুনৰাই পুংখানুপুংখভাৱে আলোচনা কৰাৰ প্ৰয়োজন নাই। মেননেও কৈছে যে কোচ বিহাৰৰ কথাটো আপোনাৰ আগত আগতেও উত্থাপন কৰা হৈছিল। বোধহয় কথাটো আপুনি পাহৰিছে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি মই প্ৰসংগটো আপোনাৰ ওচৰত পুনৰাই উনুকিওৱাৰ প্ৰয়োজনবোধ কৰা নাই। অৱশ্যে কথাটো ৰাজহুৱাভাৱে ঘোষণা কৰাৰ আগতে কেবিনেটত জনোৱাটো মোৰ উদ্দেশ্য আছিল। কোচ বিহাৰৰ ৰাইজৰ মত-অমতৰ বিষয়ে মই এইখিনিকেই কওঁ যে স্থানীয় কংগ্ৰেছে ইতিমধ্যেই চামিলকৰণৰ সপক্ষে মত দিছে। তাত 'হিতসাধিনী সভা' নামৰ স্থানীয় সংগঠন এটি আছে যিটো আংশিকভাৱে পূব পাকিস্তানৰ প্ৰতি সহানুভূতিশীল মুছলমান আৰু পাহাৰীয়া জনজাতিৰে গঠিত যিসকলে 'উত্তৰখণ্ড প্ৰদেশ' গঠনৰ বাবে নেপাল, ভূটান আৰু চিকিমৰ পিনে বাট চাইছে। এনেকুৱা ধৰণৰ বদমাছী(?) প্ৰৱণতাক মুঠেই প্ৰশ্ৰয় দিয়াৰ পক্ষপাতি মই নহয়।

অসম কোচ বিহাৰৰ প্ৰতি আগ্ৰহী হোৱাৰ প্ৰধান কাৰণটো হ'ল কোচ বিহাৰৰ পশ্চিম বংগৰ মূলভূমিৰ পৰা থকা দূৰত্ব। মই অসমৰ ৰাজ্যপালক বিষয়টো চাবলৈ দায়িত্ব দিছিলো। অন্যথা তেওঁলোকে এই বিষয়ে মূৰ গৰম নকৰিলেহেঁতেন।

আপোনাৰ বিশ্বাসী
বল্লভ ভাই পেটেল

কোচবিহাৰৰ চামিলকৰণৰ দৰে জটিল বিষয় এটাক নিজৰ সুবিধা মতেই বল্লভ ভাই পেটেলে সৰলীকৰণ কৰি লৈছিল। আজিৰ কামতাপুৰ আন্দোলনৰ আঁৰত পশ্চিমবংগৰ এতিয়াৰ মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যই পাকিস্তানী চোৰাংচোৱা সংস্থা আই এছ আইৰ ভূত দেখাৰ দৰে, 'হিতসাধিনী সভা'ৰ মুছলমান সদস্যসকলক পাকিস্তানৰ সমৰ্থক বুলি ধৰি লোৱা হ'ল। তদুপৰি ভূটান আৰু নেপালক লৈ উত্তৰ খণ্ড গঠনৰ কথাটোও সম্পূৰ্ণ কাল্পনিক আৰু উদ্দেশ্যপ্ৰণোদিত আছিল, কিয়নো উত্তৰ বংগৰ কোনো পাহাৰীয়া জনজাতিয়ে তেনেকুৱা দাবী উত্থাপন কৰা নাছিল। এই চিঠিখন লিখাৰ তিনিদিনৰ পিছত, অৰ্থাৎ ১৯৫০ চনৰ ১ জানুৱাৰীৰ দিনাখন দেশীয় ৰাজ্য কোচবিহাৰক পশ্চিমবংগৰ এখন জিলা ৰূপে চামিল কৰি দিয়া হ'ল। ১২৫০ চনত সন্ধ্যাবায়ে স্থাপন কৰা কামৰূপ-কামতা ৰাজ্যখন ১৯৫০ চনলৈকে ব্যাপ্ত এই সময়ছোৱাত অজস্ৰ ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈছে, স্বাধীনতা হেৰুৱাইছে, কৰতলীয়া ৰাজ্যও হৈছে, অৱশেষত ভৌগোলিকভাৱে সংকুচিত হৈ পৰিল দেশীয় ৰাজ্য কোচবিহাৰ। তথাপি এই সাতশ বছৰীয়া ইতিহাসত কামতাপুৰ ওৰফে কোচবিহাৰৰ পৰিচয় বিলুপ্ত হোৱা নাছিল। কোচবিহাৰৰ পৰিচয় বিলুপ্ত হ'ল স্বাধীন ভাৰতত। অথচ কোচবিহাৰক কেন্দ্ৰ কৰি বিজনী, গৌৰীপুৰ, দৰং, চিদলী, ৰংপুৰ আদি কৰি অঞ্চলসমূহক লৈ এখন সুকীয়া কামতাপুৰ ৰাজ্য গঠন কৰাৰ অৱকাশ নিশ্চয় আছিল, যিদৰে ৰাজস্থান ৰাজ্য গঠন কৰা হৈছিল।

কোচবিহাৰৰ বংগ চামিলকৰণে কোনো সমস্যা সমাধান কৰি নগ'ল, বৰঞ্চ তেতিয়াৰ পৰা এতিয়ালৈ উত্তৰ বংগৰ মানুহখিনিয়ে প্ৰায় প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে ভিন ভিন আন্দোলনৰ মাধ্যমেৰে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত ৰাজপথ তোলপাৰ কৰিছে। এই সময়ছোৱাতে আগ্ৰাসী বাঙালী সংস্কৃতিৰ হাতত তেওঁলোকৰ সংস্কৃতি বিপন্ন হৈছে, আনকি বাট-পথসমূহৰ থলুৱা নামসমূহো সলনি কৰি, সুভাষ বোস আদিৰ নামেৰে নামকৰণ কৰা হৈছে। ভূমি সংস্কাৰৰ নামত থলুৱাৰ মাটি নি পূব পাকিস্তানৰ পৰা অহা হিন্দু বাঙালীৰ হাতত তুলি দিয়া হৈছে। এনে এক পৰিস্থিতিত, কোচবিহাৰৰ সুকীয়া পৰিচয়ৰ দাবীৰে উত্তৰ বংগৰ ৰাজবংশীসকলে সামাজিক ন্যায্যতা বিচাৰিছে। সামাজিক, ঐতিহাসিক আৰু আৱেগিক কাৰণতেই অসমৰ কোচ ৰাজবংশীসকলো তেওঁলোকৰ সহযাত্ৰী হৈছে।

(লিখনিত উল্লিখিত চিঠিসমূহ মূল ইংৰাজীৰ পৰা অনূদিত( ভাবাৰ্থ) তথা ধৰ্ম নাৰায়ণ বাৰ্মাৰ 'ৰাজ্য কুচ বিহাৰঃ জেলা কুচ বিহাৰ' নামৰ কামতাপুৰী(ৰাজবংশী) ভাষাৰ প্ৰবন্ধটোৰ পৰা আৰু দুৰ্গা দাস সংকলিত Sardar Patel's Correspondence 1945-1950 Vol.7- ৰ পৰা তুলি দিয়া।) ■

OKDISCD